# Prime Minister participates at the online Summit of NAM Contact Group

May 04, 2020

---

# প্ৰধানমন্ত্ৰীৰ গোষ্ঠী নিৰপেক্ষ আন্দোলন কনটেক্ট গ্ৰুপৰ অনলাইন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ

মে’ 04, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে 4 মে 2020 তাৰিখে সন্ধিয়া সম্প্ৰতি চলি থকা ক’ভিড-19 মহামাৰী সংকটৰ সৈতে মোকাবিলা কৰাৰ সন্দৰ্ভত গোষ্ঠী নিৰপেক্ষ আন্দোলন(NAM) কনটেক্ট গ্ৰুপৰ শীৰ্ষ সন্মিলনত অনলাইন যোগে অংশগ্ৰহণ কৰে।

বৰ্তমানৰ অধ্যক্ষ তথা আজাৰবাইজানৰ ৰাষ্ট্ৰপতি মহামান্য ইলহাম আলিয়েভে আয়োজন কৰা অনলাইন গোষ্ঠী নিৰপেক্ষ আন্দোলন(NAM) কনটেক্ট গ্ৰুপৰ শীৰ্ষ সন্মিলনৰ এইবাৰৰ বিষয়বস্তু আছিল "ক’ভিড-19-ৰ বিৰুদ্ধে ঐক্যবদ্ধতা”। এই সন্মিলনখনৰ উদ্দেশ্য হৈছে ক’ভিড-19 মহামাৰীৰ বিৰুদ্ধে যুঁজত আন্তঃৰাষ্ট্ৰীয় সংহতি প্ৰচাৰ কৰা আৰু মহামাৰীৰ সৈতে মোকাবিলা কৰাত ৰাজ্য আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ প্ৰচেষ্টাক একত্ৰিত কৰা। সন্মিলনত আন্তঃৰাষ্ট্ৰীয় শান্তিৰ বাবে বহুপাক্ষিক আৰু কূটনৈতিক দিৱসকো পালন কৰা হয়।

প্ৰধানমন্ত্ৰী মোডীৰ অংশগ্ৰহণে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাতা সদস্য হিচাপে নীতি আৰু মূল্যবোধসমূহৰ প্ৰতি ভাৰতৰ দীৰ্ঘকালীন প্ৰতিশ্ৰুতিক পুনৰবাৰ প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীৰ মধ্যস্থতাত তেখেতে বিশ্বজোৰা এই সংকটৰ সময়ছোৱাত সমন্বিত, ঐক্যবদ্ধ আৰু ন্যায়সংগত সঁহাৰিৰ গুৰুত্বৰ ওপৰত জোৰ দিছিল, তেখেতে ভাৰতে দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যিবোৰ পদক্ষেপ হাতত লৈছে সেই বিষয়ে উল্লেখ কৰে। যিমান সম্ভৱ এই আন্দোলনৰ প্ৰতি ভাৰতে সহমৰ্মিতা প্ৰকাশ কৰিব বুলিও তেখেতে অৱগত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে জোৰ দি কয় যে ভাইৰাছৰ বিৰুদ্ধে সমগ্ৰ বিশ্বই ঐক্যবদ্ধভাৱে মোকাবিলা কৰাৰ লগতে সন্ত্ৰাসবাদ আৰু ভূৱা খবৰৰ বিৰুদ্ধেও যুঁজ দিব লাগে।

30খন দেশৰ চৰকাৰ প্ৰধান আৰু ৰাষ্ট্ৰ প্ৰধানৰ উপৰিও এছিয়া, আফ্ৰিকা, লেটিন আমেৰিকা আৰু কেৰিবিয়ান দ্বীপপুঞ্জ আৰু ইউৰোপৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ অধ্যক্ষ অধ্যাপক তিজ্জানি মোহাম্মদ বান্দে, ৰাষ্ট্ৰসংঘৰ মহা সচিব শ্ৰী এন্টনিঅগুটেৰেছ, আফ্ৰিকান সংঘৰ অধ্যক্ষ মুছা ফাকি মহামত,ইউৰোপীয়ান সংঘৰ শীৰ্ষ প্ৰতিনিধি জৌছেফ ব’ৰেলৰ লগতে বিশ্ব স্বাস্থ্য সংস্থাৰ মহা নিৰ্দ্দেশক ড০ টেড্ৰছ ঘেব্ৰেয়েছুছে এই সন্মিলনত বক্তব্য আগবঢ়ায়।

সামগ্ৰিকভাৱে, গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নেতৃবৃন্দই ক’ভিড-19 মহামাৰীৰ প্ৰভাৱৰ পৰিমাপ কৰাৰ

লগতে ইয়াৰ সৈতে মোকাবিলা কৰাৰ কাৰণে বিভিন্ন প্ৰয়োজনীয়তা আৰু আৱশ্যকতা চিহ্নিত কৰি দীৰ্ঘম্যাদী ব্যৱস্থাপনাৰ ওপৰত জোৰ দিয়ে। সন্মিলনৰ শেষত, নেতাসকলে ক'ভিড-19ৰ বিৰুদ্ধে যুঁজত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ঐক্যতা গঢ়ি তোলাৰ লক্ষ্যৰে এক ঘোষণা দিয়া হৈছিল। সদস্য ৰাষ্ট্ৰসমূহৰ বিভিন্ন প্ৰয়োজনীয়তাক চিহ্নিত কৰি চিকিৎসা, সামাজিক আৰু মানৱীয় চাহিদা সম্বলিত এক তথ্য ভাণ্ডাৰ তৈয়াৰ কৰাৰ কাৰণে এক টাস্ক ফৰ্চো গঠন কৰা হৈছে।

**নতুন দিল্লী**
**মে' 4, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.